**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-07-2026
**Time :** 18-00 Hrs

## ASSAMESE EVEN BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। ৰাজ্যত মাদক দ্ৰব্য সৰবৰাহ নিয়ন্ত্ৰণৰ বাবে গৃহ মন্ত্ৰালয়ে পদক্ষেপ গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সদনত প্ৰকাশ।

২। জলজীৱন মিছনৰ জৰিয়তে গ্ৰামাঞ্চলত বিশুদ্ধ খোৱাপানী যোগানৰ বাবে আন্তঃগাঁথনি শক্তিশালী কৰা হৈছে বুলি মন্ত্ৰী কৃষ্ণেন্দু পালৰ সদনত মন্তব্য।

৩। মেৰামতিৰ বাবে শৰাইঘাটৰ পুৰণি দলং ১৩ জুলাইৰ পৰা বন্ধ থাকিব বুলি কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ ঘোষণা।

**আৰু**

৪। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আজি আৰ্জেণ্টিনা, ইজিপ্তৰ আৰু ছুইজাৰলেণ্ড, কলম্বিয়াৰ মুখামুখি।

০০০০০

ৰাজ্যত মাদক দ্ৰব্য সৰবৰাহ নিয়ন্ত্ৰণৰ বাবে গৃহ মন্ত্ৰালয়ে কঠোৰ পদক্ষেপ গ্ৰহণৰ বিষয়ে প্ৰকাশ কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিধানসভাত ড্ৰাগছমুক্ত অসম সন্দৰ্ভত হোৱা আলোচনাত প্ৰকাশ কৰে। কংগ্ৰেছৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে ৰাজ্যত মাদক দ্ৰব্য সৰবৰাহ সন্দৰ্ভত তথ্যসহ উত্থাপন কৰাৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীয়ে এই কথা জানিবলৈ দিয়ে। ড০ শৰ্মাই কয়, যে আৰক্ষীয়ে মাদক দ্ৰব্যমুক্ত অসম গঢ়াৰ বাবে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। অপৰাধীয়ে আইন হাতত তুলি ল'লে আৰক্ষীয়ে প্ৰত্যুত্তৰ দিবলৈ বাধ্য হয় আৰু সমালোচনাৰ সন্মুখীন হয়। এনে কাৰ্য নিৰ্মূল কৰাৰ বাবে ভৱিষ্যতেও চৰকাৰ আৰু আৰক্ষী প্ৰশাসনক সহযোগিতা আগবঢ়াবলৈ মুখ্যমন্ত্ৰীয়ে সদনৰ প্ৰতি আহ্বান জনায়। তেওঁ কয়, যে মাদক দ্ৰব্য সৰবৰাহ ৰোধৰ বাবে আৰক্ষীয়ে কঠোৰ অভিযান চলাই যদিও ইয়াৰ যোগান শৃংখলা বন্ধ কৰাৰ প্ৰচেষ্টা ম্যানমাৰ, মিজোৰাম, মণিপুৰ আদি সীমান্ত অঞ্চলসমূহত ব্যৰ্থ হয়। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ প্ৰয়োজন বুলি মুখ্যমন্ত্ৰীয়ে কয়। মাদক দ্ৰব্য ব্যৱসায়ৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা ল'ব বুলিও তেওঁ ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্তসকলৰ পুনৰ সংস্থাপনৰ বাবে নিষ্ঠাৰে কাম কৰা স্বেচ্ছাসেৱী সংস্থাসমূহক আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

বাইট- মুখ্যমন্ত্ৰী

ইয়াৰ বাবে এখন আঁচনি ৰূপায়ণ কৰা হ'ব বুলিও তেওঁ সদনক জানিবলৈ দিয়ে। উল্লেখযোগ্য যে কংগ্ৰেছৰ বিধায়কগৰাকীয়ে ২০২১ চনৰ পৰা ২০২৫ চনলৈ ৰাজ্যত প্ৰায় দুহেজাৰ ৯২৯ কোটি টকা মূল্যৰ মাদক দ্ৰব্য জব্দ হোৱা বুলি সদনক তথ্য দিছিল। বিষয়টো সন্দৰ্ভত আলোচনাত অংশ লৈ মন্ত্ৰী পিযুষ

হাজৰিকাই কয়, যে ৰাজ্যত মাদক দ্ৰব্য সৰবৰাহৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে। একেদৰে জব্দ কৰা নিচাযুক্ত দ্ৰব্যৰ পৰিমাণো বৃদ্ধি পাইছে। ২০২৫বৰ্ষত মাদক দ্ৰব্য সম্পৰ্কিত গোচৰত ৪ হাজাৰ ৯০১ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

বাইট-পিযুষ

ইপিনে যোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি দ্বিতীয় দিনা কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ক লৈ আলোচনা অনুষ্ঠিত হৈছে। আজি সদন পৰিচালনা নিয়মাৱলীৰ ৩০১ নিয়মৰ অধীনতো বহুকেইটা বিষয়ত আলোচনা হৈছে। বিধায়ক কৃষ্ণেন্দু পালে আজি জলজীৱন মিছন সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে।

কালিৰে পৰা অনুষ্ঠিত ২১ দিনীয়া অধিৱেশনত মুঠ ১৬ খন বৈঠক অনুষ্ঠিত হ'ব। বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ১০ জুলাইত ড০ হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন পূৰ্ণাংগ বাজেট উত্থাপন কৰিব। অহা ৩১ জুলাইত বাজেট অধিৱেশনৰ অন্ত পৰিব।

০০০০০

ব্ৰীকচ সদস্য ৰাষ্ট্ৰসমূহে গুৱাহাটীত অনুষ্ঠিত মাদক দ্ৰব্য বিৰোধী সংস্থাৰ মুৰববীসকলৰ বৈঠকত গ্ৰহণ কৰা ঘোষণা পত্ৰমৰ্মে মাদক দ্ৰব্যমুক্ত বিশ্ব গঢ়ি তোলাৰ বাবে সংকল্প লৈছে। কেন্দ্ৰীয় মাদক দ্ৰব্য নিয়ন্ত্ৰণ সংস্থাৰ সঞ্চালক প্ৰধান অনুৰাগ গাৰ্গে দেশত ব্ৰীকচ্ ভাৰ্চুৱেল কৰ্মবাহিনী গঠন কৰি এই ক্ষেত্ৰত কাম কৰি যোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত গুৱাহাটীত দুদিনীয়াকৈ অনুষ্ঠিত ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ মাদক দ্ৰব্য বিৰোধী সংস্থাৰ মুৰববীসকলৰ বৈঠকৰ আজি সামৰণি পৰিছে। গৃহ মন্ত্ৰ্যালয়ৰ অধীনৰ মাদক দ্ৰব্য নিয়ন্ত্ৰণ সংস্থাৰ উদ্যোগত কালিৰে পৰা অনুষ্ঠিত এই বৈঠকত নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ আৰু ইয়াৰ অপব্যৱহাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ব্ৰীকছ্ৰ সদস্য ৰাষ্ট্ৰ আৰু দেশৰ মাদক দ্ৰব্য বিৰোধী সংস্থাৰ মুৰববী তথা জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে। ভাৰতীয় প্ৰতিনিধিদলৰ নেতৃত্বত থকা মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰোৰ সঞ্চালকপ্ৰধান অনুৰাগ গাৰ্গে এই বৈঠক মুকলি কৰি কয়, যে ড্ৰাগছ্ৰ সৰবৰাহ আৰু ইয়াৰ লগত জড়িত দ্ৰব্যসমূহৰ ব্যৱহাৰ ৰোধ কৰাৰ উদ্দেশ্যে গোলকীয় প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ পৰিপ্ৰেক্ষিতত ব্ৰীকছ্ ৰাষ্ট্ৰসমূহৰ সামৰ্থ্য বৃদ্ধি কৰাৰ লগতে এই সন্দৰ্ভত স্থিতি দৃঢ় হ'ব লাগিব। তেওঁ ডাৰ্ক নেট মঞ্চৰ জৰিয়তে সীমান্তৰ সিপাৰৰ পৰা মাদকদ্ৰব্যৰ সৰবৰাহৰ নেটৱৰ্কৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা গঢ়ি তোলাৰ পোষকতা কৰে।

ব্ৰীকছ্ ৰাষ্ট্ৰসমূহৰ মাজত মাদকদ্ৰব্যৰ সৰবৰাহক লৈ সৃষ্টি হোৱা সমস্যা নিৰ্মূল কৰাৰ বাবে আজি উমৈহতীয়া ঘোষণা পত্ৰ গ্ৰহণ কৰা হ'ব।

০০০০

অসম-অৰুণাচল প্ৰদেশ সীমান্তৰ বিহালী অভয়াৰণ্যৰ ৰাধাচুত কালি হোৱা গুলীয়াগুলিৰ ঘটনাস্থলীত আজি বিশ্বনাথ জিলাৰ আৰক্ষী আয়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি প্ৰশাসনীয় দল উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। কালি অৰুণাচলৰ ৩০ জন লোকে বনাঞ্চল ধ্বংস কৰি থকাৰ কাৰ্যক বাধা দিবলৈ যোৱা অসমৰ বন বিভাগ আৰু আৰক্ষী প্ৰশাসনৰ এটা দলক লক্ষ্য কৰি দুৰ্বৃত্তই কমেও ১৫ জাঁই গুলীচালনা কৰিছিল। অৱশ্যে এই ঘটনাত কোনো লোক হতাহত হোৱা নাই বুলি আমাৰ সংবাদদাতাই জনাইছে। আজি বিশ্বনাথ জিলাৰ আয়ুক্ত কৰবী শইকীয়া কৰণ, আৰক্ষী অধীক্ষক অজাগৌৰণ বসুমতাৰী, পূব শোণিতপুৰ বন সংমণ্ডল প্ৰাধিকাৰী চম্পক ডেকা আৰু সাংসদ ৰণজিৎ দত্তই ঘটনাস্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়।

বাইট

উল্লেখযোগ্য যে কেইবা দশক ধৰি অঞ্চলটোত ভূমি দখল আৰু বনাঞ্চল ধ্বংস কাৰ্য চলি আহিছে।

০০০০০

শৰাইঘাটৰ পুৰণি দলং মেৰামতিৰ বাবে ১৩ জুলাইৰ পৰা দুমাহলৈ বন্ধ থাকিব বুলি কামৰূপ মহানগৰ জিলা আয়ুক্ত স্বপ্নীল পালে প্ৰকাশ কৰিছে। এখন সংবাদমেলযোগে জিলা আয়ুক্তগৰাকীয়ে কয়, যে দুমাহৰ ভিতৰত দলংখনৰ মেৰামতিৰ কাম সম্পূৰ্ণ কৰা হ'ব। অহা ১৫ ছেপ্তেম্বৰত শৰাইঘাটৰ পুৰণি দলংখনেৰে পুনৰ যাতায়াত আৰম্ভ হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে লগতে জানিবলৈ দিয়ে।

০০০০০

প্ৰধানমন্ত্ৰী অনুসূচিত জাতিৰ অভ্যুদয় যোজনাৰ অধীনত শোণিতপুৰ জিলা গ্ৰন্থাগাৰ প্ৰেক্ষাগৃহত আজি অনুদানভিত্তিক বিত্তীয় সহায় বিতৰণ অনুষ্ঠান সম্পন্ন হয়। ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানৰ সহযোগত অনুসূচিত জাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ সঞ্চালকালয়ে এই অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত শোণিতপুৰ জিলা আয়ুক্তগৰাকী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত জিলাখনৰ মুঠ ২০টা আত্মসহায়ক গোট আৰু ৩০ গৰাকী আত্মসহায়ক গোটৰ সদস্যক আৰ্থিক অনুদান বিতৰণ কৰা হয়। আৰ্থিক অনুদান বিতৰণ উপলক্ষে আত্মসহায়ক গোটসমূহে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰীৰ প্ৰদৰ্শনীও অনুষ্ঠিত হয়।

০০০০০

যোৰহাটৰ জিলা আয়ুক্ত জয় শিৱানীয়ে আজি চিনামৰা উৰণ সেতুৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। নিৰ্মাণস্থলী পৰিদৰ্শনকালত তেওঁ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত উৰণ সেতু সম্পূৰ্ণ কৰাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। জিলা আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট বিভাগৰ বিষয়া, অভিযন্তা তথা নিৰ্মাণকাৰী সংস্থাক সমগ্ৰ প্ৰক্ৰিয়াটো অধিক খৰতকীয়া কৰাৰ লগতে যাত্ৰীসকলৰ সুৰক্ষা আৰু গুণগত মান অক্ষুণ্ণ ৰাখি কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

জিলা আয়ুক্তগৰাকীয়ে যোৰহাটৰ নৱনিৰ্মিত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰো বুজ লয়। পৰিদৰ্শনকালত তেওঁ ভৱনটোৰ আন্তঃগাঁথনি আৰু চলি থকা সকলো কামৰ পৰ্যালোচনা কৰে।

০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ আটলাণ্টাত হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত আৰ্জেণ্টিনা ইজিপ্তৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা চাৰে ৯ বজাত অনুষ্ঠিত হ'ব। আনহাতে কানাডাৰ ভেংকুভাৰত আজি হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ অন্তিমখন খেলত কলম্বিয়াই ছুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন মাজনিশা ডেৰ বজাত অনুষ্ঠিত হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ